# অসম আদিত্য

১৭ শাওণ, ১৯৪৮ শক | সোমবাৰ, ৩ আগষ্ট, ২০২৬ | Asom Aditya, Dibrugarh, Monday, August 3, 2026

ণাৰ ঢাডন ডচ্চ যে এহয়া কেৱল আৰম্ভাণহে। পৰৱতা

## ভট্টাচাৰ্যৰ ওপজা দিন পালন

কবি সমাজৰদ্বাৰা স্বীকৃত
ৰ উদ্যোগত ২৮ জুলাইত
ত অসম সাহিত্য সভাৰ
জবৰুৱা ভৱনত 'সুগন্ধি
চাৰ্যৰ জন্ম দিৱস উপলক্ষে
ৰ অনুষ্ঠান অনুষ্ঠিত হয়।
ৰুদাৰ জন্ম দিৱস উপলক্ষে
দ্ধাঞ্জলি জ্ঞাপন কৰা হয়।
ৰ সমাজৰ সম্পাদক ৰাতুল
বৰদলৈ আৰু উপদেষ্টাদ্বয়
যাগমায়া গোস্বামীক মঞ্চত
ণ জনায়। সভাপতি জয়ন্ত
ন্ত ঘটা সভাখনিৰ উদ্দেশ্য

ব্যাখ্যা কৰে সম্পাদক ৰাতুল চন্দ্ৰ দাসে। হীৰেন ভট্টাচাৰ্যৰ ৰচিত কালজয়ী গীতেৰে অনুষ্ঠানটি জীপাল কৰি তোলে নীলিমা বৰদলৈয়ে। কবি কণিকা মজুমদাৰ বৰদলৈ, ড° সীমা বৰুৱা, সুৰেশ আগৰৱালা, যোগমায়া গোস্বামী, আৰাধনা দত্ত, কানন বৰুৱা, মানসী বৰুৱা, বলীন বৰদলৈ, ৰাতুল চন্দ্ৰ দাস আৰু বনজুৰী বৰুৱাই কবিতা পাঠেৰে অনুষ্ঠানটিক এক সুকীয়া মাত্ৰা প্ৰদান কৰে। সুগায়িকা ৰূপনন্দা দত্ত, হেপী দত্ত আৰু টুনুমনি বৰুৱাই পৰিৱেশন কৰা হীৰু দাৰ কালজয়ী গীতসমূহে উপস্থিত শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰে। সভাপতিৰ মন্তব্যত জয়ন্ত বৰদলৈয়ে কবি হীৰেন ভট্টাচাৰ্যৰ কবিতাৰ এক চমু আলোকপাত কৰাৰ লগতে সহকাৰী সম্পাদিকা কণিকা মজুমদাৰ বৰদলৈয়ে শলাগৰ শৰাই আগবঢ়ায়।

## কাঁনৈ কলেজত বক্তৃতানুষ্ঠান

ষ্টাফ ৰিপৰ্টাৰ, ২ আগষ্ট ঃ 'ধুমুহাক ভয় কৰা পুলিয়ে কেতিয়াও মহীৰুহ হ'ব নোৱাৰে। মহাত্মা গান্ধী স্কুলৰ দিনত অতি লাজুক আছিল, কাৰোবাৰ লগত কথা পাতিবলৈ ভয় কৰিছিল। কিন্তু সেই একেজন লাজুক মনৰ মানুহেই এদিন সমগ্ৰ বিশ্বক অহিংসাৰ পথ, সত্যাগ্ৰহৰ পথ দেখুৱাবলৈ সক্ষম হৈছিল।' ডি এইচ এছ কাঁনৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ মনোবিজ্ঞান বিভাগৰ অধ্যাপিকা উপাসনা দত্ত আৰু সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা সুজাতা সোনোৱালৰ উদ্যোগত আয়োজিত হৈ অহা 'প্ৰিঞ্চিপাল্‌ছ লাষ্ট ক্লাছ' বক্তৃতামালাৰ 'প্ৰিঞ্চিপাল্‌ছলাষ্টক্লাছ-২.০' শীৰ্ষক বক্তৃতামালাত শিক্ষাৰ্থীসকলক উদ্দেশ্যি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষ ড০ শইকীয়াই শিক্ষাৰ্থীসকলৰ মহাবিদ্যালয়ৰ প্ৰথম দিনৰ অভিজ্ঞতা, অনুভৱ, উপলব্ধি মনশীলভাৱে ব্যাখ্যা কৰি কয়, ভয়, অনিশ্চয়তা আৰু সপোনেৰে আৰম্ভ হোৱা শিক্ষা জীৱনক আত্মবিশ্বাস, অধ্যৱসায় আৰু মূল্যবোধৰ জৰিয়তে সফলতাৰ দিশলৈ আগুৱাই নিব পাৰি। তেওঁ শিক্ষানুষ্ঠান কেৱল পাঠদানৰ স্থান নহয়, ই ব্যক্তিত্ব, নৈতিকতা, দায়িত্ববোধ আৰু মানৱীয় মূল্যবোধ গঢ়ি তোলাৰ এক পৱিত্ৰ ক্ষেত্ৰ বুলি উল্লেখ কৰি কয় যে জীৱনৰ নতুন দিনবোৰ সদায় স্মৰণীয় হৈ থাকে, কিন্তু কামবোৰ, চিন্তাবোৰ বেলেগ বেলেগ হ'ব পাৰে। অধ্যক্ষগৰাকীয়ে কয়, মানুহে জীৱনৰ শেষ দিনটোৰ আগতে যিয়েই যেনেকৈ কাম কৰিবলৈ চিন্তা নকৰক কিয় কৃতজ্ঞতা, ধন্যবাদ, স্বীকাৰোক্তি, ক্ষমা প্ৰাৰ্থনা, ক্ষমা প্ৰদান আৰু মৰমৰ অন্তিম বাৰ্তা দি যোৱাতো সকলোৰে কাম্য হোৱা উচিত। তেওঁ কয়, মানুহে জীৱনৰ অন্তিম সময়ত নিজৰ সফলতা বা সম্পত্তিৰ কথা কেতিয়াও মনত নেপেলায়। কেৱল মনত পেলাই কাৰ লগত কিমান মৰম-চেনেহ, শ্ৰদ্ধাৰে ভাৱৰ আদান-প্ৰদান কৰিছিল। তেওঁ কয়, জীৱনৰ প্ৰতিটো দিনেই শেষ দিন বুলি অনুভৱ কৰি আবেগ আৰু অনুভৱক মুকলিকৈ প্ৰকাশ কৰাৰ চেষ্টা কৰা প্ৰয়োজন। অধ্যক্ষগৰাকীয়ে প্ৰাচীন গুৰুকুলৰ উদাহৰণ দাঙি ধৰি কয়, সকলো বিদ্যালয়-মহাবিদ্যালয়, শিক্ষানুষ্ঠান একো একোখন আধুনিক গুৰুকুল। যিদিনাই সেই শিক্ষানুষ্ঠানত ভৰি দিয়া যায়, সেইদিনাই ভয়টোক আঁতৰাই পঠোৱাৰ প্ৰয়োজন। তেওঁ প্ৰাচীন ভাৰতীয় শিক্ষাদৰ্শনৰ 'উপনয়ন'ৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন দৰ্শন, মহাত্মা গান্ধীৰ দৰ্শনৰ বিষয়ে উল্লেখ কৰি ভিক্টৰ ফ্ৰেংকলে, ড০ এ পি জে আব্দুল কালাম, জে কে ৰাউলিং, আব্ৰাহাম লিংকন আদিৰ দৰে বিশ্ববিখ্যাত সফল ব্যক্তিসকলৰ জীৱন সংগ্ৰামৰ উদাহৰণ দাঙি ধৰে। উদ্দেশ্যপূৰ্ণ জীৱন, ইতিবাচক মানসিকতা আৰু অদম্য ইচ্ছাশক্তি থাকিলে মানুহে জীৱনত সফল হ'ব পাৰে বুলি তেওঁ কয়। তেওঁ কয় যে ৰবীন্দ্ৰ জৈন, অৰুণিমা সিন্‌হা, শীতলা দেৱী, জেচিকা কক্স, লুই ব্ৰেইলী, হেলেন কেলাৰ, বিথোভেন, ষ্টিফেন হকিংছ, নিক্ ভুজিচৰ দৰে ব্যক্তিয়ে কেনেকৈ বিশেষভাৱে শাৰীৰিক সক্ষম হোৱাৰ পিছতো জীৱনত সফল হৈছিল আৰু মানুহক জীয়াই থকাৰ প্ৰেৰণা যোগাইছিল। তেওঁ শিক্ষাৰ্থীসকলক বিখ্যাত সাহিত্যিক মিছ এলবমৰ 'টিউছ ডে' উইথ্ মৰিছ', ভিক্টৰ ফ্ৰেংকলেৰ 'মেন ছাৰ্চ ফৰ্ মিনিং', ব্ৰেনী বেয়াৰৰ 'দ্য টপ্ ফাইভ ৰিগ্ৰেট্‌ছ ডায়িঙ'ৰ বিষয়ে উল্লেখ কৰি নিয়মিত গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায়।

## ...ঙম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

স্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে ধৃতি বেজবৰুৱা,
য়াক্ষী আৰু দেৱৰ্শিনাই অনুষ্ঠানত একোটাকৈ নান্দনিক
ত্য পৰিৱেশন কৰে। নাটকৰ ক্ষেত্ৰতো কণ-কণ
নাসকলে নিজৰ অভিনয়ৰ জৰিয়তে পাৰদৰ্শিতা
খুৱাবলৈ সক্ষম হয়। গৌৰিশ আৰু ধৃতিয়ে 'তীখৰ
ৰু চুটি বাই' নাটকেৰে সকলোৰে দৃষ্টি কঢ়াৰ বিপৰীতে
াম, নন্দিনী, জ্ঞানম আৰু ৰাছলে 'জীৱনৰ সত্য' শীৰ্ষক
টক প্ৰদৰ্শন কৰি অনুষ্ঠানটিক এক অনন্য মাত্ৰা প্ৰদান
ৰে। আনহাতে, চহাম, ধৃতি, চুমি, প্ৰীয়াক্ষী, দামিনী,
ৰাধ্যা, হৰ্ষিতা, অনুষ্কা, সুনয়নী আৰু মানসীয়ে 'ভালুক
ৰু মৌমাখি' নামৰ নাটকখনি সুন্দৰভাৱে ৰূপায়ণ কৰি
পস্থিত ৰাইজক অনুপ্ৰাণিত কৰে। দিৱসটোৰ লগত
গতি ৰাখি 'ক' আৰু 'খ' শাখাত অনুষ্ঠিত আকস্মিক
তৃতা, কবিতা আবৃত্তি আৰু খেল-ধেমালি যেনে—

মিউজিকেল চেয়াৰ, মনোযোগৰ খেল, মুখত চামুচ-মাৰ্বল লৈ খোজকঢ়া প্ৰতিযোগিতাৰ বঁটাসমূহো এই অনুষ্ঠানতে বিজয়ীসকলৰ মাজত বিতৰণ কৰা হয়। নন্দিনী কাশ্যপ আৰু প্ৰিয়াসী শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সভাপতি ৰঞ্জন দত্ত, জ্ঞান বিজ্ঞান একডেমীৰ স্বত্বাধিকাৰ অনুজ পুজাৰী, অনুপম সংঘৰ কৰ্ম-কৰ্তা মনোবিজন খাৰঘৰীয়া, দ্বিজেন শৰ্মা, বিনু দেৱীৰ উপৰি অনুপম মইনা পাৰিজাতৰ সভাপতি মৈত্ৰেয়ী বৰুৱা ভৌমিক আৰু সম্পাদিকা প্ৰতিমা শৰ্মা উপস্থিত থাকে। শতাধিক মইনা, স্থানীয় ৰাইজ, অভিভাৱক-অভিভাৱিকা আৰু বহু গণ্য-মান্য ব্যক্তিৰ লগতে অনুপম মইনা পাৰিজাতৰ বিষয়ববীয়াৰ উপস্থিতিৰে মুখৰিত হৈ পৰা অনুষ্ঠানটিৰ শেষত চুমি গগৈয়ে সকলোকে আনুষ্ঠানিকভাৱে শলাগৰ শৰাই আগবঢ়ায়।

হন, বি
টি চ
পী
পৰিছে। এ
লক্ষ্যৰে
পঞ্চায়তৰ
খেলপথা
জনৰ ব
গালে
৯০

